# মূল বাৰ্তাসমূহ ঃ সহায়ক সামগ্ৰীৰ পৰিচয়

TAP

**প্ৰথম পাঠ ঃ সহায়ক সামগ্ৰী সমূহ কি ?**

- ❒ সহায়ক সামগ্ৰী হ'ল মানুহে ব্যৱহাৰ কৰা সামগ্ৰী যাৰ দ্বাৰা তেওঁলোকে কিছুমান কৰিব নোৱাৰা কাম সহজে সম্পন্ন কৰিব পাৰে।
- ❒ সহায়ক সামগ্ৰী শিশু আৰু প্ৰাপ্তবয়স্কই ব্যৱহাৰ কৰিব পাৰে।
- ❒ চিন্তা-চৰ্চা কৰা, যোগাযোগ, শুনা, চোৱা, ভ্ৰমণ কৰা, নিজৰ যত্ন লোৱা আদি সকলো ক্ষেত্ৰত সহায়ক সঁজুলিবোৰে তেখেতসকলৰ দৈনন্দিন জীৱনত সহায় কৰে।
- ❒ বহু লোকে তেওঁলোকৰ প্ৰয়োজন অনুসৰি এটাতকৈ বেছি সঁজুলি ব্যৱহাৰ কৰিব পাৰে।

**দ্বিতীয় পাঠ ঃ সহায়ক সামগ্ৰী যোগান ধৰাৰ লগত কোন জড়িত ?**

- ❒ সহায়ক সামগ্ৰী প্ৰদান কৰাত বহু লোকৰ ভূমিকা আছে। য'ত অন্তৰ্ভুক্ত আছে—
- ❒ যিজন ব্যক্তিক এটা সহায়ক সামগ্ৰীৰ প্ৰয়োজন।
- ❒ তেওঁলোকৰ পৰিয়াল আৰু বন্ধু-বান্ধৱী।
- ❒ যিসকল লোকে সহায়ক উপকৰণৰ প্ৰয়োজন হোৱা ব্যক্তিক উপযুক্ত সহায় বা সেৱাৰ বাবে পথ নিৰ্দেশ কৰে।
- ❒ প্ৰশিক্ষিত সেৱা প্ৰদানকাৰী।
- ❒ সমাজৰ প্ৰত্যেকজন ব্যক্তি।

**তৃতীয় পাঠ ঃ সহায়ক সামগ্ৰী কেনেদৰে প্ৰদান কৰা হয়**

সহায়ক সামগ্ৰীসমূহ চাৰিটা পদক্ষেপৰ জৰিয়তে প্ৰদান কৰা হয়।

| | |
|---|---|
| ১. ব্যক্তিজনৰ প্ৰয়োজনীয়তাৰ সৈতে সৰ্বাধিক খাপ খোৱা সামগ্ৰীটো নিৰ্ধাৰণ কৰক আৰু নিৰ্বাচন কৰৰ | ২. ব্যৱহাৰকাৰীৰ প্ৰয়োজন অনুসৰি উৰকৰণটো সঠিকভাৱে সংস্থাপন কৰক |
| ৪. সাধাৰণ মেৰামতি আৰু যতন সংৰক্ষণ সহ পৰৱৰ্তী অনুসৰণ কৰা | ৩. ব্যক্তিজনক সামগ্ৰীবিধ কেনেকৈ ব্যৱহাৰ কৰিব লাগে আৰু কেনেকৈ চোৱাচিতা কৰিব লাগে শিকাওক |

- ■ এই চাৰিটা পদক্ষেপে মানুহক সুৰক্ষিত উপযুক্ত সহায়ক সামগ্ৰী প্ৰদান কৰাটো নিশ্চিত কৰাত সহায় কৰে, তেওঁলোকৰ সেইবোৰ ব্যৱহাৰ কৰাৰ দক্ষতা আছে আৰু সামগ্ৰীবিধে তেওঁলোকৰ উদ্দেশ্য পূৰণ কৰাত সহায়ক হোৱাটো নিশ্চিত কৰাত সহায় কৰে।
- ■ এই গোটেই প্ৰক্ৰিয়াতে সামগ্ৰী ব্যৱহাৰ কৰা ব্যক্তি আৰু তেওঁৰ পৰিয়াল বা যত্ন লোৱা মানুহজন ভালদৰে জড়িত থকাটো দৰকাৰ।

**চতুৰ্থ পাঠ ঃ সহায়ক সামগ্ৰী সেৱা প্ৰদানৰ ক্ষেত্ৰত বিবেচনা**

❒ কিছুমান সহায়ক সামগ্ৰী যোগান ধৰিবলৈ বহু সময় লাগে। আন কিছুমান কম সময়তে যোগান ধৰিব পাৰি। এইটো কেইবাটাও কথাৰ ওপৰত নিৰ্ভৰ কৰে। য'ত অন্তৰ্ভুক্ত আছে—

- ❒ সহায়ক সামগ্ৰীটো কিমান জটিল।
- ❒ ব্যক্তিজনৰ প্ৰয়োজন আৰু স্বাস্থ্যজনিত অৱস্থা।
- ❒ ব্যক্তিজনে কোন ঠাই বা পৰিৱেশত এই সামগ্ৰী ব্যৱহাৰ কৰিব।
- ❒ সামগ্ৰীসমূহ ব্যৱহাৰ কৰিবলৈ ব্যক্তিজনৰ কিমান অভিজ্ঞতা আছে।

**সঠিক সহায়ক সামগ্ৰী থাকিলেও কিছুমান মানুহে নিজৰ ইচ্ছামতে কাম কৰিবলৈ বাধাৰ সন্মুখীন হয়। এই বাধাসমূহ হ'ল—**

- ❒ অনুপযোগী পৰিৱেশজনিত বাধা।
- ❒ সামাজিক বৈষম্য আৰু হেয় দৃষ্টিভংগী।
- ❒ সুলভ তথ্যৰ অভাৱ।
- ❒ সহায়ক নীতি আৰু সেৱাৰ অভাৱ।

সহায়ক সামগ্ৰী ব্যৱহাৰ কৰা লোকসকলক সমানভাৱে সমাজত অন্তৰ্ভুক্ত কৰাটো নিশ্চিত কৰিবলৈ সকলোৰে ভূমিকা আছে। লগতে তেওঁলোকে আৰু আন লোকৰ দৰে নিজ ইচ্ছামতে কাম কৰিব পাৰে সেয়া নিশ্চিত কৰাৰ প্ৰত্যেকৰে ভূমিকা আছে।